জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

তম বছৰ, সংখ্যা ১৬৪ ● শুকুৰবাৰ ● ৮ ফাগুন ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday February 21, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ

লোৰে পাৰাচত ধৰ্মপ্ৰাণ, জ্যেষ্ঠ ব্যক্তিগৰাকীৰ মৃত্যুত কৰ ছাঁ পৰে । ১৯৬২ চনতে অঞ্চলটোত এটা শিৱমন্দিৰ ন কৰি হৰ-গৌৰীৰ আৰাধনাতে জ্জিত হৈ অন্তিম সময়লৈকে ৰ জীৱন ভগৱন্তৰ শ্ৰীচৰণত ৰ্গা কৰিছিল। তেওঁৰ মৃত্যুত বাসীৰ লগতে শুভাকাংক্ষী জে বিদেহ আত্মাৰ চিৰশান্তি না কৰাৰ লগতে শোকসন্তপ্ত য়ালবৰ্গক সমবেদনা জনাইছে।

## প্ৰদ্যুৎ সন্দিকৈ



ণাৰি ঃ জ । ৎবেদক, ফেব্ৰুৱাৰী সোণাৰি ৰ্বতি পুৰ লৰ স্থায়ী ন্দা, যুৱ সায়ী প্ৰদ্যুত সন্দিকৈৰ াণটো) আজি পুৱতি নিশা ৰোগত আক্ৰান্ত হৈ নিজা গৃহত হোৱাত অঞ্চলটোত শোকৰ ছাঁ । মাতৃ, পত্নী, এগৰাকী নাবালিকা আৰু এটি পুত্ৰ সন্তানসহ বহু ীয়ক এৰি যোৱা প্ৰদ্যুতৰ মৃত্যুৰ ৰি বিয়পি পৰাত বহু সংখ্যক কে আহি তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা ন কৰে। পৰৱৰ্তী সময়ত তেওঁৰ দেহ সোণাৰি বৰাহী আলিস্থিত ৰাজহুৱা শ্মশানলৈ নি ্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। নম্ৰ ভদ্ৰ স্বভাৱৰ প্ৰদ্যুতৰ মৃত্যুত াৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে ক প্ৰকাশ কৰিছে।

# ডিব্ৰুগড়ৰ কনভয় পথৰ উৰণীয়া সেতু ড° লীলা গগৈ নামেৰে নামকৰণৰ আহ্বান

লাহোৱাল ঃ নিজা সংবাদদাতা, ২০ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় নগৰত নতুনকৈ প্ৰায় নিৰ্মাণ সম্পন্ন হোৱা কনভয় পথৰ উৰণীয়া সেতুৰ নাম 'ড° লীলা গগৈ উৰণীয়া সেতু' নামেৰে নামকৰণৰ আহ্বান ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ। ডিব্ৰুগড় সাহিত্য সভাৰ তৰফৰ পৰা ডিব্ৰুগড় নগৰৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু কনভয় পথ সংযোগী উৰণীয়া সেতুখন ডিব্ৰুগড়ৰ সু-সন্তান, বিশিষ্ট সাহিত্যিক, গৱেষক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসমীয়া-ভাষা-সাহিত্য-সংস্কৃতিৰ জগতলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা ড° লীলা গগৈ সোঁৱৰণীত তেওঁৰ নামাৰে নামকৰণ কৰিবলৈ স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাই আজি ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই, উপ-সভাপতি যাদৱ গগৈ আৰু সম্পাদক ৰাতুল গোহাঁই স্বাক্ষৰিত এক স্মাৰক-পত্ৰৰ জৰিয়তে ডিব্ৰুগড়ৰ সু-সন্তান,অসমৰ গৌৰৱ, অসমীয়া ভাষা সাহিত্য, সংস্কৃতিৰ জগতলৈ অমূল্য অৱদান আগবঢ়াই যোৱা স্বনামধন্য সাহিত্যিক, গৱেষক, সংগীতজ্ঞ, বুৰঞ্জীবিদ, গ্ৰন্থাকাৰ, শিক্ষাবিদ,অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সৰ্বভাৰতীয় পৰিভাষা প্ৰণয়ন সমিতিৰ সদস্য, অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ সঞ্চালক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপকৰ লগতে অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ



জগতলৈ অনবদ্য অৱদান আগবঢ়াই অসমীয়া জাতিক ধন্য কৰি গৈছে যদিও বৰেণ্য ব্যক্তিজন আজিও উপেক্ষিত হৈ আছে। সেয়ে নৱপ্ৰজন্মৰ মাজত সদায় সজীৱ হৈ থকাৰ উদ্দেশ্যে উৰণীয়া সেতুখনৰ নাম 'ড° লীলা গগৈ উৰণীয়া সেতু' নামেৰে নামকৰণ কৰিবলৈ স্মাৰক- পত্ৰৰ জৰিয়তে আৱেদন জনোৱাৰ লগতে বিষয়টোৰ সন্দৰ্ভত যোগাত্মক পদক্ষেপ গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তগৰাকীৰ সৈতে আলোচনা কৰে। ১৮৯৩ চনতে গঠিত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই বৰেণ্য সাহিত্যিক তথা ভাষা সাহিত্য, সংস্কৃতিৰ সাধক ড° লীলা গগৈ নামেৰে নামকৰণ কৰিবলৈ জনোৱা আহ্বানত জিলা আয়ুক্তগৰাকীয়ো সন্তুষ্ট হৈ এই বিষয়ে মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰাৰ লগতে পুনৰ ডিব্ৰুগড় সাহিত্য সভাৰ এটা দলক মুখ্যমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰাৰ বাবে পৰামৰ্শ দিয়ে। স্মাৰক-পত্ৰ প্ৰদানৰ সময়ত ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈ, সম্পাদক ৰাতুল গোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ বিদায়ী সভাপতি ড° শশীকান্ত শইকীয়া, বিদায়ী উপ-সভাপতি বিভাস দুৱৰা, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মুক্তামণি হাজৰিকা, প্ৰচাৰ সম্পাদক হিৰণ্য বৰা, কাৰ্যনিৰ্বাহক সদস্য বিতুমণি ফুকন, অনুপম মহন্ত, জ্যোতিষ পাতিৰ, ইফতিকাৰ হুছেইন, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, জ্যেষ্ঠ সাংবাদিক কৰুণা ফুকন উপস্থিত থাকে।

• DIETICIAN OPD
Beside all above
CARDIOLOGY OPD
(EVERY EVENING)
938711452

A. G. NURSI



There are two typ
Low-density Lipoprotein
(Bad cholesterol)
This can contribute to artery- clogging plaque
FOLLOW US
FOR MORE SUCH TIPS
For expart Cardiology advic
DR. GAUTA
1 No Sonari Gaon A.T. Road Tarajan
DESIGNED BY